# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-02-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জিলাত প্ৰশাসনে প্ৰস্তুতি আৰম্ভ কৰিছে। বিশ্বনাথ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত আজি গহপুৰ সমজিলাৰ আয়ুক্ত তথা জিলাখনৰ নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ ন'ডেল বিষয়া আদিত্য প্ৰতাপ সিঙৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ সৈতে জড়িত সহকাৰী বিষয়াসকলে অংশগ্ৰহণ কৰে।

যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ যোৰহাট ভ্ৰমণৰ পূৰ্বে প্ৰস্তুতি পৰ্যালোচনা আৰু নিৰ্বাচন সংক্ৰান্তীয় বিভিন্ন বিষয় এই বৈঠকত আলোচনা কৰা হয়। বৈঠকত তিতাবৰ আৰু মৰিয়নী সমজিলাৰ আয়ুক্তদ্বয়, অতিৰিক্ত জিলা আয়ুক্তসকল, ৰাজহ চক্ৰ বিষয়া, সহকাৰী আয়ুক্তকে ধৰি সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

নগাঁও জিলাত এই প্ৰস্তুতিৰ অংশ হিচাপে নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়, চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়, দছন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত আয়ুক্তগৰাকীয়ে বিদ্যালয়কেইখনত নিৰ্মাণ হ'বলগীয়া ষ্ট্ৰংৰুম, ভোট গণনা কেন্দ্ৰ, নিৰ্বাচনী কোষ, বিতৰণ কাউণ্টাৰ, ডিক'ডিং কাউণ্টাৰ, খাদ্য যোগান আদি বিভিন্ন পৰিচালনা কোষৰ বাবে নিৰ্ধাৰিত স্থানসমূহৰ আন্তঃগাঁথনিৰ বুজ লয়। জিলাৰ অতিৰিক্ত আয়ুক্ত সুদীপ নাথ, লোকনিৰ্মাণ বিভাগৰ অভিযন্তা পল্লৱ মহন্তকে ধৰি কেইবাজনো বিষয়া-কৰ্মচাৰীয়ে আয়ুক্তগৰাকীৰ পৰিদৰ্শন কালত উপস্থিত থাকে।

গোৱালপাৰা জিলা প্ৰশাসনেও নিৰ্বাচনী প্ৰস্তুতি আৰম্ভ কৰিছে। জিলাখনৰ ৪টা বিধানসভা সমষ্টিৰ বাবে ৪ গৰাকী ৰিটাৰ্নিং বিষয়া, ১২ গৰাকী সহকাৰী ৰিটাৰ্নিং বিষয়া, ৩৬ গৰাকী মাণ্ডলিক বিষয়া আৰু ১০৮ গৰাকী ক্ষেত্ৰ বিষয়া নিয়োগ কৰা হৈছে। জিলাখনত নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া প্ৰদীপ টিমুঙে এইদৰে কয়--

**বাইট (প্ৰদীপ টিমুং)**

ooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু অসমীয়া  বিভাগ আৰু নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু নাহৰকটীয়া মহাবিদ্যালয়ৰ মান নিৰূপন কোষৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে আজি আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন কৰা হয়। মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই বিশেষ অনুষ্ঠানত অসমীয়া বিভাগৰ মুৰব্বী ড০ স্মৃতিৰেখা গগৈ গায়নে আদৰণি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া

বিভাগৰ প্ৰাধ্যাপক ড০ সুৰাসনা মহন্তই **অসমত বহুভাষিক শিক্ষা ঃ প্ৰত্যাশা, প্ৰত্যাহ্বান আৰু যুৱ প্ৰজন্মৰ ভূমিকা** শীৰ্ষক ভাষণ প্ৰদান কৰে। ড০ মহন্ত আৰু নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ পৰেশ খনিকৰৰ সংকলন আৰু সম্পাদনাত নাহৰকটীয়াৰ বিভিন্ন ভাষা-ভাষিক লোকৰ শুভেচ্ছাবাণীৰে প্ৰস্তুত কৰা এখন তথ্য চিত্ৰ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ আৰু নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ নিৰ্বাচিত ছগৰাকী আলোচকৰ অংশগ্ৰহণেৰে বিশেষ আলোচনা চক্ৰ অনুষ্ঠিত হয়।

পশ্চিম কাৰ্বি আংলং সাহিত্য সভাৰ উদ্যোগত আজি আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন কৰা হয়। অনুষ্ঠানত কাৰ্বি ভাষা সাহিত্য সংস্কৃতিৰ অন্যতম কাণ্ডাৰী তথা কাৰ্বি লোক সংস্কৃতিৰ সাধক বলেশ্বৰ হানচেক সম্বৰ্ধনা জনোৱা হয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীযোগে মন কী বাত অনুষ্ঠানত জনসাধাৰণৰ সৈতে নিজৰ মনৰ ভাৱ বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ কেন্দ্ৰৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এ আই আৰ এপতো শুনিবলৈ পোৱা যাব। এই অনুষ্ঠান আকাশবাণীৰ ইউটিউব চেনেলযোগে পোনপটীয়া প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে এই অনুষ্ঠানৰ হিন্দী প্ৰচাৰণৰ পাছতে আঞ্চলিক ভাষাত প্ৰচাৰ কৰিব।

০০০০০০

পশ্চিম কাৰ্বি আংলংৰ বৰধলত আজি জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত সামাজিক ন্যায়, শিশুৰ যৌন আতিশায্য আৰু ডাইনী হত্যা বিষয়ক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত পশ্চিম কাৰ্বি আংলং জিলা আইন সেৱা প্ৰাধিকৰণ আৰু জিলা শিশু সুৰক্ষা গোটৰ বিষয়ববীয়া, বহুকেইজন সমল ব্যক্তিৰ লগতে অৰ্ধশতাধিক যুৱতী আৰু মহিলা উপস্থিত থাকে। অনুষ্ঠানত জিলাখনৰ শেহতীয়া পৰিস্থিতিত সামাজিক ন্যায়, শিশুৰ যৌন আতিশয্য আৰু ডাইনী হত্যা বিষয়ৰ ঘটনাৰ বিশদ তথ্য দাঙি ধৰা হয়।

০০০০০০

ঃঃ সমাপ্ত ঃঃ